অধ্যায় ৪ ঃ সাহিত্যদর্পণ ঃ (দ্বিতীয় পৰিচ্ছেদ)

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ বাক্যস্বৰূপ - মূল সংস্কৃতপাঠ
৪.৩.১ বাক্যস্বৰূপ - মূল পাঠৰ ভিত্তিত অসমীয়া আলোচনা
৪.৪ অর্থভেদ - অভিধাৰ মূল সংস্কৃত পাঠ
৪.৪.১ অর্থভেদ - অভিধা- মূল পাঠৰ ভিত্তিত অসমীয়া আলোচনা
৪.৫ লক্ষণা আৰু ইয়াৰ প্রকাৰ - মূল সংস্কৃত পাঠ
৪.৫.১ লক্ষণা আৰু ইয়াৰ প্রকাৰ - মূল পাঠৰ ভিত্তিত অসমীয়া আলোচনা
৪.৬ ব্যঞ্জনা আৰু ইয়াৰ প্রকাৰ - মূল সংস্কৃত পাঠ
৪.৬.১ ব্যঞ্জনা আৰু ইয়াৰ প্রকাৰ - মূল পাঠৰ ভিত্তিত অসমীয়া আলোচনা
৪.৭ তাৎপর্যবৃত্তি - মূল সংস্কৃত পাঠ
৪.৭.১ তাৎপর্যবৃত্তি - মূল পাঠৰ ভিত্তিত অসমীয়া আলোচনা
৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৯ অধিক জানিবলৈ
৪.১০ অগ্রগতিৰ খতিয়ান
৪.১১ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- বাক্যৰ স্বৰূপ সম্পর্কে জানিব পাৰিব
- অর্থভেদৰ বিষয়েও জ্ঞাত হ'ব
- অভিধা, লক্ষণা আৰু ব্যঞ্জনাৰ বিষয়ে পঢ়িবলৈ পাব
- বর্ণৰ বিষয়েও জ্ঞান লাভ কৰিব পাৰিব
- তাৎপর্যবৃত্তিৰ বিষয়েও জানিবলৈ সক্ষম হ'ব।

৪.২ পৰিচয়

এই অধ্যায়টিত আপুনি সাহিত্যদর্পণৰ দ্বিতীয় অধ্যায়ৰ অন্তর্গত বিষয়বস্তুৰ আলোচনা কৰিব পাৰিব। প্রথম অধ্যায়ত 'বাক্যং ৰসাত্মকং কাব্যম্' বুলি বিশ্বনাথে কাব্যৰ সংজ্ঞা প্রদান কৰিছে। দ্বিতীয় অধ্যায়ত বিশ্বনাথে বাক্যৰ স্বৰূপ সম্পর্কে আলোচনা আগবঢ়াইছে। বাক্য দুই

প্ৰকাৰৰ— বাক্য আৰু মহাবাক্য। আসত্তি, যোগ্যতা আৰু আকাংক্ষাযুক্ত পদসমষ্টিক বাক্য বোলে। বাক্যৰ সমষ্টিক মহাবাক্য বোলা হয়। পদসমষ্টিকে বাক্য বুলি কোৱাৰ পিছত পদৰ সংজ্ঞাও বিশ্বনাথে দ্বিতীয় অধ্যায়ত দিছে। পদসমূহ যিহেতু অর্থবোধক অর্থৰ স্বৰূপ আৰু ভেদসমূহো এই প্ৰসংগত উনুকিওৱা হৈছে। শব্দৰ অর্থ প্ৰকাশৰ শক্তি তিনি প্ৰকাৰৰ — অভিধা, লক্ষণা আৰু ব্যঞ্জনা। ইয়াৰ উপৰিও লক্ষণা আৰু ব্যঞ্জনাৰ ভেদসমূহো উল্লেখ কৰিছে।



জানি থোৱা ভাল

অভিধা, লক্ষণা আৰু ব্যঞ্জনা— এই তিনিটা কিছুমান দার্শনিক সম্প্ৰদায়ৰ লগতো জড়িত, বিশেষকৈ মীমাংসা দর্শনৰ লগত। মীমাংসা দর্শনে বাক্যস্বৰূপৰ বিষয়ে বিস্তাৰভাৱে আলোচনা কৰে। সেয়েহে সাহিত্যদর্পণৰ দ্বিতীয় পৰিচ্ছেদত দার্শনিক মতো উদ্ধৃত কৰা হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ বাক্য কেইপ্ৰকাৰৰ?

.....

প্ৰশ্ন নং ২ ঃ শব্দশক্তি কেইপ্ৰকাৰৰ?

.....

৪.৩ বাক্যস্বৰূপ - মূল সংস্কৃত পাঠ

এতিয়া আপুনি বাক্যৰ স্বৰূপ সম্পর্কে জানিব পাৰিব। **বাক্যস্বৰূপমাহ** -

বাক্যং স্যাদ্যোগ্য তাকাংক্ষাসত্তিযুক্ত ঃ পদোচ্চয়ঃ।। ১।।

যোগ্যতা পদানাং পৰস্পৰসম্বন্ধে বাধাভাব ঃ। পদোচ্চয়স্যৈতদ— ভাবে২পি বাক্যত্বে বহ্নিনা সিঞ্চতীত্যপি বাক্যং স্যাত্। আকাঙ্ক্ষ প্ৰতীতিপর্যবসানবিৰহঃ। স চ শ্ৰোতুর্জিজ্ঞাসাৰূপঃ। নিৰাকাংক্ষস্য বাক্যত্বে গৌৰশ্বঃ পুৰুষো হস্তীত্যাদীনামপি বাক্যত্বং স্যাত্। আসত্তির্বুদ্ধয়বিচ্ছেদঃ বুদ্ধিবিচ্ছেদে২পি বাক্যত্বে ইদানীমুচ্চৰিতস্য দেবদত্ত-শব্দস্য দিনান্তৰোচ্চাৰিতেন গচ্ছতীতি পদেন সংগতিঃ স্যাত্। অত্ৰাকাঙ্ক্ষাযোগ্যতয়োৰাত্মার্থ ধর্মত্বে২পি পদোচ্চয়ধর্মত্বমুপচাৰাত্।

মহাবাক্যম্—

বাক্যোচ্চয়ো মহাবাক্যম্ ।। ২

যোগ্যতাঙ্ক্ষাসত্তিযুক্ত এব।

ইত্থং বাক্যং দ্বিধা মতম্ ।। ৩

ইত্থমিতি বাক্যত্বেন, মহাবাক্যত্বেন চ। উক্তং চ- **তন্ত্ৰবার্তিকে**

স্বার্থবোধসমাপ্তানামঙ্গাঙ্গিত্বব্যপক্ষেয়া।

বাক্যানামেকবাক্যত্বং পুনঃ সংহৃত্য জায়তে।।

উদ্ধৃত কৰা শ্লোকটি তন্ত্ৰবার্তিকৰ পৰা লোৱা হৈছে। তন্ত্ৰবার্তিকৰ ৰচক হৈছে মীমাংসাদর্শনৰ প্ৰবক্তা কুমাৰিল ভট্ট। তেওঁ শবৰভাষ্যৰ ওপৰত এই টীকা প্ৰস্তুত কৰে।

তত্র বাক্যং যথা - 'শূন্যং বাসগৃহং' - ইত্যাদি। মহাবাক্যং যথা - ৰামায়ন মহাভাৰত-ৰঘুবংশাদি।

পদম্—

পদোচ্চয়ো বাক্যমিত্যুক্তম্ তত্ কিং পদলক্ষণমিত্যত

আহ —

বর্ণাঃ পদং প্রয়োগার্হানন্বিতৈকার্থবোধকাঃ।। ৪

যথা - ঘটঃ । প্রয়োগার্হেতি প্রাতিপদিকস্য ব্যবচ্ছেদঃ।

অনন্বিতেতি বাক্যমহাবাক্যয়োঃ। একেতি মাকাঙ্ক্ষানেকপদ বাক্যানাম্। অর্থবোধকা ইতি কচটতপেত্যাদিনাম্, বর্ণা ইতি বহুবচনমবিবক্ষিতম্।

৪.৩.১ বাক্যস্ৱৰূপ - মূল পাঠৰ ভিত্তিত অসমীয়া আলোচনা

সাহিত্যদপর্ণত বাক্যৰ লক্ষণ এনেদৰে কোৱা হৈছে—

যোগ্যতা, আকাংক্ষা আৰু আসত্তিযুক্ত পদসমষ্টিক বাক্য বোলা হয়। ১

বাক্যৰ অন্তর্গত পদসমূহৰ পৰস্পৰ সম্বন্ধত বাধা নথকাটোৱেই যোগ্যতা। অর্থৰ অন্বয়যোগ্যতা নথকা পদসমূহক বাক্য বুলি স্বীকাৰ কৰিলে, জুইৰে সিঞ্চন কৰিছে এই পদসমূহো বাক্য হ'ব।

কোনো জ্ঞানৰ সমাপ্তি নোহোৱাটোকে 'আকাংক্ষা' বোলে। অর্থাৎ বাক্যার্থৰ পৰিসমাপ্তিৰ বাবে কোনো পদার্থৰ অভিলাষেই আকাংক্ষা। ই হ'ল শ্রোতাৰ জিজ্ঞাসাস্ৱৰূপ। পৰস্পৰ নিৰাকাংক্ষ পদসমষ্টিক বাক্য বুলি গ্রহণ কৰিলে গৰু, ঘোঁৰা, মানুহ, হাতী আদি এনে পদসমষ্টিও বাক্য হ'ব।

বুদ্ধিৰ অবিচ্ছেদক 'আসত্তি' বোলে। উপযোগী পদৰ উপস্থিতিৰ ব্যৱধান ঘটিলে আসত্তি হয়। জ্ঞানৰ বিচ্ছেদ থকা অৱস্থাতো বাক্য বুলি ধৰিলে, এতিয়া উচ্চাৰিত 'দেৱদত্ত' শব্দৰ লগত অন্য এদিন উচ্চাৰিত গৈছে পদসমষ্টিও বাক্যৰূপে পৰিগণিত হ'ব। (প্রকৃততে কিছুসময়ৰ ব্যৱধান থাকিলেও বাক্য সম্পূর্ণ নহয়) 'আকাংক্ষা আত্মাৰ ধর্ম আৰু যোগ্যতা পদৰ অর্থৰ ধর্ম, লাক্ষনিকভাৱে আকাংক্ষা আৰু যোগ্যতাক পদসমষ্টিৰ ধর্ম বুলি কোৱা হৈছে।

যোগ্যতা, আকাংক্ষা আৰু আসত্তিযুক্ত বাক্যসমষ্টিক মহাবাক্য বোলে। ২

এইদৰে বাক্য দুবিধ - বাক্য আৰু মহাবাক্য। ৩

তন্ত্রবার্তিকতো কোৱা হৈছে—

নিজৰ অর্থ প্রকাশ কৰাৰ পিছত বাক্যসমূহৰ আকাংক্ষা নাথাকিলেও, অঙ্গাঙ্গীভাৱসম্বন্ধৰে বহুবাক্য লগ লাগি আকৌ এক মহাবাক্য হয়।

বাক্যৰ উদাহৰণ যেনে **শূন্য বাস**গৃহং ... ইত্যাদি

মহাবাক্য যেনে— ৰামায়ণ, মহাভাৰত, ৰঘুবংশ আদি।

পদসমষ্টিক বাক্য বুলি কোৱা হৈছে; এইবাৰ পদৰ লক্ষণ কোৱা হৈছে—



শূন্য বাসগৃহং ইত্যাদি শ্লোকটি কবি অমৰু বিৰচিত অমৰু শতকত পোৱা যায়। ৰসৰ উদাহৰণৰ প্রসংগত বিশ্বনাথে প্রথম পৰিচ্ছেদতে উল্লেখ কৰিছে।

প্রয়োগযোগ্য, অনন্বিত (যুক্ত নোহোৱা), একার্থবোধক বর্ণসমূহক পদ বোলা হয়। ৪ যেনে- ঘট। 'প্রয়োগযোগ্য' বুলি কোৱাত **প্রাতিপদিক** হ'ব নোৱাৰে, 'অনন্বিত' বিশেষণে ঘট পদটি সম্পর্কহীন অর্থ বুজায় আৰু সেইবাবে মহাবাক্যৰ লক্ষণ আৰু সম্ভৱ নহয়। 'একার্থবোধক' বুলি বিশেষিত কৰাৰ লগে লগে, আকাংক্ষাযুক্ত বহুপদ আৰু বাক্যৰ **ব্যৱচ্ছেদ** হ'ল।

'অর্থবোধক' বুলি কোৱাত ক', চ, ট, ত প আদি বর্ণসমূহৰ পদসম্ভাৱনা দূৰ হ'ল। বর্ণসমূহ মানে বহুবর্ণ বুজোৱাৰ বাবে ব্যৱহাৰ হোৱা নাই। বর্ণবুজাবলৈ বহুবর্ণৰ সমষ্টি নহ'লেও হয়। এটা বা দুটা বর্ণৰ সমাবেশতো বহু পদ দেখা যায়।



[illegible] বিভক্তিযুক্ত নোহোৱা পদক প্রাতিপদিক বোলে। গতিকে বিভক্তি প্রয়োগ নোহোৱালৈকে প্রাতিপদিকৰ বাক্যত প্রয়োগ নাই।



ব্যৱচ্ছেদ - শব্দটিৰ অর্থ বিশ্লেষ বা পৃথকীকৰণ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ এটা বর্ণৰ পদ সম্ভৱনে?

.....

প্রশ্ন নং ৪ ঃ প্রাতিপদিক কাক বোলে?

.....

৪.৪ অর্থভেদ - অভিধা - মূল সংস্কৃত পাঠ

শব্দৰ পিছত এইবাৰ অর্থভেদসমূহৰ ভিতৰত অভিধাৰ মূল সংস্কৃত পাঠ পঢ়িবলৈ পাব।

অর্থভেদা ঃ

তত্র -

অর্থো বাচ্যশ্চ লক্ষ্যশ্চ ব্যঙ্গশ্চেতি ত্রিধা মতঃ

এষাং স্বৰূপমাহ —

বাচ্যো২র্থো২ভিধয়া বোধ্যো লক্ষ্যো লক্ষণয়া মতঃ।

ব্যঙ্গ্যো ব্যঞ্জনয়া তাঃ স্যুস্ত্রিস্রঃ শব্দস্য শক্তয়ঃ।। ৬

তাঃ অভিধাদ্যাঃ

তত্ সংকেতিতার্থস্য বোধনাদগ্রিমাভিধা।। ৭

উত্তমবৃদ্ধেন মধ্যমবৃদ্ধমুদ্দিশ্য 'গামানয়' ইত্যুক্তে তং গবানয়ন প্রবৃত্তমুপলভ্য বালো২স্য বাক্যস্য 'সাস্নাদিমত্ পিণ্ডানয়নমর্থঃ' ইতি প্রথমং প্রতিপদ্যতে। অনন্তৰঞ্চ 'গাং বধান অশ্বমানয়' ইত্যাদাবাবাপোদ্ধাপাভ্যাং গোশব্দস্য 'সাস্নাদিমানর্থঃ আনয়নশব্দস্য 'আহৰণমর্থঃ ইতি সংকেতমৱধাৱয়তি। ৱচিচ্চ প্রসিদ্ধপদ সমভিব্যাহাৱাৎ। যথা - 'ইহ প্রভিন্নকমলোদৰে মধুনি মধুকৰঃ পিবতি' ইত্যত্র। ৱচিদাপ্তোপদেশাৎ। যথা - 'অয়মশ্বশব্দবাচ্যঃ' ইত্যত্র। তঞ্চ সংকেতিতমর্থং বোধয়ন্তী শব্দস্য শক্ত্যন্তৱানন্তৰিতা শক্তিৱভিধা নাম।

সংকেতো গৃহ্যতে জাতৌ গুণদ্রব্য-ক্রিয়াসু চ।। ৮

জাতির্গোপিণ্ডাদিষু গোত্বাদিকা। গুনৌ বিশেষাদানহেতুঃ সিদ্ধো বস্তুধর্মঃ। শুক্লাদয়ো হি গবাদিকং স্বজাতীয়েভ্যঃ কৃষ্ণগবাদিভ্যো ব্যাবর্ত্তয়ন্তি। দ্রব্যশব্দা একব্যক্তিবাচিনো হৰিহৰ ডিত্থ-ডবিত্থাদয়ঃ। ক্রিয়াঃ সাধ্যৰূপা বস্তুধর্মাঃ পাকাদয়ঃ। এষু হি অধিশ্রয়ণাবশ্রয়-ণাদ্যন্তাদিপূর্বাপৰীভূতো ব্যাপাৰকলাপঃ পাকাদিশব্দবাচ্যঃ এষ্বেব হি ব্যক্তেৰূপাধিষু সংকেতো গৃহ্যতে, ন ব্যক্তৌ; আনন্ত্যব্যভিচাৰদোষাপাতাত্।

৪.৪.১ অর্থভেদ - অভিধা- মূল পাঠৰ ভিত্তিত অসমীয়া আলোচনা

এতিয়া আপুনি অর্থভেদ অভিধা মূল পাঠৰ অসমীয়া অনুবাদ পঢ়িব পাৰিব।

অর্থৰ ভেদ তিনি প্রকাৰৰ— বাচ্য, লক্ষ্য আৰু ব্যঙ্গ্য।। ৫

এতিয়া এইবিলাকৰ স্বৰূপৰ বিষয়ে কোৱা হৈছে।

বাচ্য অর্থ অভিধা শক্তিয়ে, লক্ষ্য বা লাক্ষণিক অর্থ লক্ষণাশক্তিয়ে আৰু ব্যঙ্গার্থ ব্যঞ্জনাশক্তিয়ে বুজায়। সেয়েহে শব্দৰ শক্তি তিনি প্রকাৰৰ।। ৬

এই তিনিবিধ শক্তিৰ ভিতৰত যিয়ে সংকেতিত অর্থাৎ মুখ্য অর্থ বুজায় সেয়েই অভিধা।। ৭

কোনো প্রধান ব্যক্তিয়ে নবীন ব্যক্তিক 'গৰু আনা' বুলি কোৱাৰ পাছত, দ্বিতীয় ব্যক্তিয়ে গৰু অনা দেখা পাই শিশু এটিয়ে 'গৰু আনা' মানে গলবিনী থকা কোনো প্রাণীবিশেষক অনা কথাটো বুজি পায়। তাৰ পিছত 'গৰু বান্ধা' ঘোঁৰা আনা ইত্যাদি বাক্য শুনি আবাপ আৰু উদ্বাপ অর্থাৎ যোগ-বিয়োগ কৰি গৰু, বান্ধা, আনা আদি পদৰ সংকেত গ্রহণ কৰে।

কেতিয়াবা প্রসিদ্ধ পদ অর্থাৎ পূর্বৰে পৰা জনা পদৰ সাহচর্য্যত অর্থ গ্রহণ কৰা যায়। যিদৰে 'ইহ প্রভিন্ন ইত্যাদি শ্লোকটোত পদুমত মধুকৰে মধুপান কৰিছে। মধুকৰ শব্দই ভোমোৱা আৰু মৌমাখি দুয়োটা বুজায়। কিন্তু মধুপান কৰা অর্থ বুজোৱাৰ বাবে মধুকৰ মানে ভোমোৱাই বুজায়।

কেতিয়াবা 'আপ্ত' অর্থাৎ প্রামাণিক পুৰুষৰ উপদেশৰ দ্বাৰাও শক্তিগ্রহ হয়। 'এইটো ঘোঁৰা' বুলি কওতে বুজি পায় (অনভিজ্ঞ বালকে) এনে প্রাণীয়েই ঘোঁৰা বুলি। শব্দৰ অন্যশক্তিৰ দ্বাৰা ব্যৱধান প্রাপ্ত নহৈ যি শক্তিয়ে শব্দৰ সংকেতিত অর্থক বুজায় তাকেই অভিধা বোলে। অর্থাৎ শব্দৰ সর্বপ্রথম শক্তি অভিধা।

জাতি, গুণ, দ্রব্য আৰু ক্রিয়াত সংকেত গৃহীত হয়। ৮

গো প্রভৃতি প্রাণীত গোত্ব প্রভৃতি হ'ল জাতি। বস্তুবিশেষৰ যি নিত্যধর্ম, অন্যবস্তুৰ পৰা পার্থক্য নির্দেশ কৰে, যিয়ে পদার্থৰ বিশেষতা আৰোপ কৰে, সেয়াই গুণ। যেনে- শুক্ল আদি গুণ।

শুক্লাদিশব্দই গো আদিক কৃষ্ণাদিবর্ণৰ পৰা পৃথক কৰে। এক ব্যক্তিবাচক হৰিহৰ, ডিত্থ, ডবিত্থ আদি শব্দক দ্রব্য বোলে।

বস্তুৰ সাধ্যধর্মক ক্রিয়া বোলে। যেনে— পাক আদি।

এই সাধ্যৰূপ বস্তুধর্মৰ অধিশ্রয়ন, অৱশ্রয়ন আদি বিভিন্ন কার্যৰ মাজেৰে সিদ্ধ হয়। পাককার্যত চৌকাত পাত্র স্থাপন আদি কার্য অধিশ্রয়ন আৰু চৌকাৰ পৰা পাত্র নমোৱা আদি কার্য অৱশ্রয়ন।

জাতি, দ্রব্য, গুণ আৰু ক্রিয়াত শব্দৰ সংকেত থাকে, ব্যক্তিত নহয়। প্রতি ব্যক্তিত সংকেত স্বীকাৰ কৰিলে আনন্ত্য আৰু ব্যাভিচাৰ দোষ ঘটিব।



জানি থোৱা ভাল

শক্তিগ্রহৰ বহুতো কাৰণ আছে। যেনে—

শক্তিগ্রহং ব্যাকৰণোপমানকোষাপ্তবাক্যাদ্ব্যবহাৰতশ্চ।

বাক্যস্য শেষাদবিবৃতেৰ্দন্তি সান্নিধ্যতয় সিদ্ধপদস্য বৃদ্ধম্।।

শক্তিগ্রহৰ কাৰণকেইটা— ১) ব্যাকৰণ, ২) উপমান, ৩) কোষ, ৪) আপ্তবাক্য, ৫) ব্যৱহাৰ, ৬) বাক্যশেষ, ৭) বিবৃতি, ৮) সিদ্ধপদৰ নিকটতা।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ বাচ্যার্থৰ আন এটি নাম কি?

.....

প্রশ্ন নং ৬ ঃ বস্তুৰ সাধ্যধর্মক কি বুলি কোৱা হয়?

.....

৪.৫ লক্ষণা আৰু ইয়াৰ প্রকাৰ - মূল সংস্কৃত পাঠ

এতিয়া 'লক্ষণা' নামৰ দ্বিতীয় শব্দশক্তিৰ বিষয়ে মূল সংস্কৃত পাঠ পঢ়িবলৈ পাব।

অথ লক্ষণা—

মুখ্যার্থবাধে তদ্যুক্তো যয়ান্যোঽর্থঃ প্রতীয়তে।

ৰূঢ়েঃ প্রয়োজনাদ্ বাঽসৌ লক্ষণা শক্তিৰর্পিতা।। ৯

'কলিঙ্গ সাহসিকঃ'— ইত্যাদৌ কলিঙ্গাদিশব্দো দেশবিশেষাদিৰূপে স্বার্থেঽসম্ভৱন্ ময়া শব্দস্য শক্ত্যা স্বসংযুক্তান্ পুৰুষাদীন্ প্রত্যায়য়তি। যথাচ 'গঙ্গায়াংঘোষঃ'— ইত্যাদৌ গংগাদিশব্দো জলময়াদিৰূপার্থবাচকত্বাৎ প্রকৃতে অসম্ভবন্ স্বস্য সামীপ্যাদি সম্বন্ধসম্বন্ধিনং তটাদিং বোধয়তি সা শব্দস্যার্পিতা স্বাভাবিকেতৰা ঈশ্বৰান্তদ্ভাবিতা বা শক্তির্লক্ষণা নাম।

পূর্বত্র হেতুৰূঢ়িঃ প্রসিদ্ধিৰেব। উত্তৰত্র 'গঙ্গাতটে ঘোষঃ ইতি প্রতিপাদনাদলভ্যস্য শীতত্বপাবনত্বাতিশয়স্য বোধনৰূপং প্রয়োজনম্। হেতুং বিনাপি যস্য কস্যচিৎ সম্বন্ধিনো লক্ষনেতি প্রসঙ্গঃ স্যাদিত্যত উক্তং 'ৰূঢ়ে প্রয়োজনাদ্ বাঽসৌ' ইতি।

কেচিত্তু 'কর্মনি কুশলঃ'— ইতি ৰূঢ়াবুদাহৰন্তি। তেষাময়মভিপ্রায়ঃ— 'কুশং লাতি'

ইতি ব্যুৎপত্তিলভ্যঃ কুশগ্রাহিৰূপো মুখ্যো২র্থঃ প্রকৃতে অসম্ভৱন্ বিবেচকত্বাদিসাধর্ম্যসম্বন্ধসম্বন্ধিনং দক্ষৰূপমর্থং বোধয়তি।

তদন্যে ন মন্যন্তে, কুশগ্রাহিৰূপার্থস্য ব্যুৎপত্তিলভ্যত্বেহপি দক্ষৰূপস্যৈৱ মুখ্যার্থত্বাৎ। অনদ্ধি শব্দানাং ব্যুৎপত্তিনিমিত্তম্। অন্যচ্চ প্রবৃত্ত নিমিত্ত মুখ্যার্থত্বে, 'গৌঃ শেতে' ইত্যত্রাপি লক্ষণা স্যাত্। 'গমের্ডোঃ — ইতি গম্ ধাতোর্ডোপ্রত্যয়েন ব্যুৎপাদিতস্য গোশব্দস্য শয়নকালে২পি প্রয়োগাত্।

তদ্ভেদানাহ—

মুখ্যার্থস্যেতৰাক্ষেপো বাক্যার্থে২ন্বয়সিদ্ধয়ে।
স্যাদাত্মনো২প্যুপাদানাদেষো পাদানলক্ষণা।। ১০

ৰূঢ়াবুপাদানলক্ষণা - যথা - শ্বেতো ধাবতি। প্রয়োজনে যথাঃ - কুন্তাঃ প্রবিশন্তি। অনয়োর্হি শ্বেতাদিভিঃ কুন্দাদিভিশ্চ অচেতনতয়া কেবলৈধাবনপ্রবেশনক্রিয়য়োঃ কর্তৃতয়াহন্বয়মলভমানৈৱেতৎসিদ্ধয়ে আত্মসম্বন্ধিনো২শ্বাদয়ঃ পুৰুষাদয়শ্চ ক্ষিপ্যন্তে। পূর্বত্র প্রয়োজনভাবাত্ ৰূঢ়িঃ। উত্তৰত্র তু কুন্তাদীনামতিগ২নত্বং প্রয়োজনম্ অত্র চ মুখ্যার্থস্যাত্মনো২প্যুপাদানম্। লক্ষণলক্ষণায়াং তু পৰস্যৈবোপলক্ষ - ণমিত্যনয়োর্ভেদঃ। ইয়মেব 'অজহৎস্বার্থা' - ইত্যুচ্যতে।

অর্পণং স্বস্য বাক্যার্থে পৰস্যান্বয়সিদ্ধয়ে।
উপলক্ষণ - হেতুত্বাদেষা লক্ষণ লক্ষণা।। ১১

ৰূঢ়ি - প্রয়োজনয়োলর্ক্ষণলক্ষণা, যথা - 'কলিঙ্গঃ সাহসিকঃ।' 'গংগায়াং ঘোষঃ' ইতি চ। অনয়োর্হি পুৰুষতটয়োর্বাক্যার্থে অন্বয়সিদ্ধয়ে কলিঙ্গগংগাশব্দাবাত্মানমর্পয়ত। ইয়মেব জহৎস্বার্থা ইত্যুচ্যতে।

৪.৫.১ লক্ষণা আৰু ইয়াৰ প্রকাৰ - মূল পাঠৰ ভিত্তিত অসমীয়া আলোচনা

এতিয়া আপুনি লক্ষণা আৰু ইয়াৰ প্রকাৰৰ বিষয়ে জানিব পাৰিব-

লক্ষণা —

মুখ্যার্থ বাধিত হ'লে ৰূঢ়ি (প্রসিদ্ধি) বা কোনো বিশেষ প্রয়োজনবশতঃ মুখ্যার্থৰ সৈতে সংযুক্ত আন এটি অর্থ যি শক্তিৰ দ্বাৰা বুজা যায় তাকেই লক্ষণা বোলে। ৯

'কলিঙ্গ সাহসী'— উদাৰহণটোত কলিঙ্গ শব্দই দেশবিশেষক বুজায়, কিন্তু ইয়াত দেশবিশেষৰ অর্থত ব্যৱহৃত নহৈ কলিঙ্গ দেশৰ সৈতে সম্পর্কিত কলিঙ্গদেশবাসীক বুজাইছে। সেইদৰে গংগাত গুৱালৰ গাঁও আছে উদাহৰণটিতো লক্ষণা হৈছে। ইয়াত গংগাৰ অর্থ জলময় প্রবাহ। কিন্তু উদাহৰণটিত এই অর্থ নুবুজায় গংগাৰ পাৰ বুজাইছে। শব্দৰ যি শক্তিয়ে গংগাৰ ওচৰৰ অর্থ বুজাইছে সেয়াই লক্ষণা শক্তি। এই শক্তি শব্দৰ স্বাভাৱিক শক্তিতকৈ ভিন্ন বা ঈশ্বৰ উদ্ভাবিত নহয়।

প্রথম উদাহৰণত লক্ষণা ৰূঢ়ি বা প্রসিদ্ধিবশতঃ হৈছে। দ্বিতীয় উদাহৰণত গংগাৰ

পাৰত গুৱালৰ গাঁও আছে বুলি ক'লে শীতলতা আৰু পবিত্রতাৰ আতিশয্য বুজোৱাৰ বাবেই লক্ষণাৰ প্রয়োজন। হেতু নোহোৱাকৈ লক্ষণাশক্তিৰ প্রয়োগ হ'লে অত্যুক্তি হ'ব। সেইবাবেই লক্ষণাশক্তিৰ বাবে ৰূঢ়ি বা প্রয়োজনৰূপ হেতুৰ প্রয়োজন।

কোনো কোনোৱে 'কার্যত কুশল' এই বাক্যটো ৰূঢ়িৰ উদাহৰণৰূপে গ্রহণ কৰে। তেওঁলোকৰ অভিপ্রায় এয়ে যে 'কুশ কাটে যি' এই ব্যুৎপত্তিৰ পৰা কুশল শব্দৰ মুখ্যার্থ কুশ কাটোতা। কিন্তু বাক্যত এই অর্থ প্রয়োগ অসম্ভৱ হেতুকে, বিবেচকতা আদি সাধর্ম্য সম্বন্ধেৰে সম্বন্ধিত 'নিপুন' অর্থ প্রকাশ কৰিছে। অন্যই কিন্তু এইটো স্বীকাৰ নকৰে। যদিও কুশল শব্দৰ কুশগ্রাহীৰূপ অর্থ ব্যুপত্তিলভ্য। তথাপি সেইটো মুখ্যার্থ নহয়। দক্ষৰূপ অর্থই মুখ্য।

শব্দৰ ব্যুপত্তিলভ্য অর্থক মুখ্যার্থ বুলি স্বীকাৰ কৰিব লগীয়া হয় তেন্তে গৌঃ শেতে (গৰু শুইছে) এই বাক্যটো লক্ষণা হ'ব। 'গমের্ডোঃ' এই নিয়মানুসাৰে 'গম' ধাতুৰ পিছত 'ডো' প্রত্যয় হৈ গো শব্দ হৈছে বাবে ইয়াৰ অর্থ গমনকাৰী। সেয়েহে গো শব্দৰ প্রয়োগ শয়নকালত সম্ভৱ নহয়।

লক্ষণাভেদ

যি শক্তিৰ দ্বাৰা বাক্যার্থত অন্বয়সিদ্ধিৰ বাবে মুখ্যার্থৰহিত হৈ অন্যঅর্থৰ আক্ষেপ হয় তাকেই উপাদান লক্ষণা বোলে। ১০

ৰূঢ়িউপাদান লক্ষণা — বগাটো দৌৰি গৈছে।

প্রয়োজন উপাদান লক্ষণা — যাঠীবিলাকে প্রৱেশ কৰিছে।

'বগা' আৰু 'যাঠী' অচেতন পদার্থবাবে গমন আৰু প্রৱেশ ক্রিয়া সম্বৰ নহয়। অন্বয়সিদ্ধিৰ বাবে স্বসম্বন্ধী অশ্ব, পুৰুষ আদি অন্য অর্থৰ আক্ষেপ হৈছে। 'বগাটো দৌৰি গৈছে', বাক্যত লক্ষণাৰ প্রয়োজন নোহোৱা বাবে ৰূঢ়ি উপাদান লক্ষণা আৰু 'যাঠিবিলাকে প্রৱেশ কৰিছে' উদাহৰণটিত যাঠীবিলাকৰ গহনত্ব বুজোৱাৰ প্রয়োজনৰ বাবে প্রয়োজন উপাদান লক্ষণা।



অজহৎস্বার্থলক্ষণা ঃ এই লক্ষণাত পদে নিজৰ অর্থ পৰিত্যাগ নকৰে। স্ব অর্থ পৰিত্যাগ কৰে বাবে কিছুমান লক্ষণা জহৎস্বার্থা।

উপাদান লক্ষণাত মুখ্যার্থৰ উপাদান থাকে। কিন্তু লক্ষণ লক্ষণাত মুখ্যার্থতকৈ অন্য অর্থৰ উপলক্ষণ হয়। এয়ে দুয়োটাৰ মাজত থকা পার্থক্য। উপাদান লক্ষণাক **অজহৎস্বার্থ লক্ষণা**ও বোলে।

বাক্যার্থত অন্য অর্থৰ অন্বয়ৰ বাবে যেতিয়া শব্দই নিজৰ মুখ্যার্থ এৰি অন্য অর্থত অর্পণ কৰে তেতিয়া লক্ষণ লক্ষণা হয়। ১১

এই লক্ষণা ৰূঢ়ি প্রয়োজনভেদে দুবিধ

যেনে— ৰূঢ়ি লক্ষণ লক্ষণা - কলিঙ্গসাহসী

প্রয়োজন লক্ষণ লক্ষণা — গংগাত গুৱালৰ গাঁও।

দুয়োটা উদাহৰণতে 'কলিঙ্গ' আৰু 'গংগা'ই মুখ্যার্থ পৰিত্যাগ কৰি অন্য অর্থ প্রকাশ কৰিছে।

এই লক্ষণাক জহৎস্বার্থা লক্ষণা বুলি জনা যায়।

ইয়াৰ উপৰিও লক্ষণাৰ আৰু প্ৰকাৰভেদ আহে। পূৰ্বোক্ত চাৰিপ্ৰকাৰ লক্ষণা আকৌ আৰোপ আৰু অধ্যবসানৰূপে দুভাগত বিভক্ত। সাৰোপালক্ষণাত অনিগীৰ্ণ বিষয়ৰ মুখ্যাৰ্থৰ সৈতে অন্য অৰ্থৰ অভেদ প্ৰতীতি হয়। সাধ্যবসানাত নিগীৰ্ণবিষয়ৰ লগত অন্য অৰ্থৰ অভেদবোধ হয়। এই আঠপ্ৰকাৰ লক্ষণা আকৌ শুদ্ধা আৰু গৌণী হিচাবে লক্ষণা ষোল্ল প্ৰকাৰ হ'ল। সাদৃশ্যসম্বন্ধত গৌনী আৰু সাদৃশ্যভিন্ন সম্বন্ধত শুদ্ধা লক্ষণা হয়। আঠপ্ৰকাৰ প্ৰয়োজনমূলক লক্ষণাসমূহ আকৌ গূঢ়ব্যঙ্গ আৰু অগূঢ়ব্যঙ্গৰূপে দুভাগত বিভক্ত। এই প্ৰয়োজন ধৰ্মগত আৰু ধৰ্মীগত হৈ লক্ষণাসমূহ ত্ৰিশ প্ৰকাৰৰ হয়। এইদৰে লক্ষণা চল্লিশ প্ৰকাৰৰ। পদগত আৰু বাক্যগত অনুসাৰে আকৌ দুই প্ৰকাৰ হ'লে লক্ষণা মুঠ আশীপ্ৰকাৰৰ।



জানি থোৱা ভাল

১) 'কুশল' শব্দটিৰ — কুশগ্ৰাহী ব্যুপত্তিগত অৰ্থৰ লগত 'দক্ষ' অৰ্থৰ লাক্ষনিক সম্বন্ধ আছে। কুশগ্ৰাহী লোকৰ যি বিবেচনা বা দক্ষতা তেনে বিচাৰ বিবেচনা অন্য কৰ্মতো তেনেদৰেই প্ৰযোজ্য হয়। এইদৰে কুশল শব্দৰ মুখ্যাৰ্থৰ লগত লক্ষ্যাৰ্থৰ সম্পৰ্ক আছে।

২) ব্যুপত্তিগত অৰ্থ সদায় মুখ্য নহয়। শব্দটি প্ৰয়োগৰ ফলতো অন্য অৰ্থৰ উদ্ভৱ হ'লেও সেই অৰ্থত মুখ্যাৰ্থৰূপে গ্ৰহণ কৰিব লাগে।

৩) অনিগীৰ্ণ বিষয় মানে মুখ্যাৰ্থ আৰু নিগীৰ্ণ বিষয় মানে গৌনাৰ্থ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ লক্ষণা মুঠতে কেইপ্ৰকাৰৰ লিখক?

.....

প্ৰশ্ন নং ৮ ঃ লক্ষণা শব্দৰ কোনটো শক্তিৰ লগত সম্পৰ্কিত লিখক?

.....

প্ৰশ্ন নং ৯ ঃ 'গংগায়াং ঘোষ' ইয়াত কি কাৰণে লক্ষণা হৈছে লিখক?

.....

৪.৬ ব্যঞ্জনা আৰু ইয়াৰ প্ৰকাৰ - মূল সংস্কৃত পাঠ

এতিয়া 'ব্যঞ্জনা' নামৰ তৃতীয় শব্দশক্তিৰ মূল সংস্কৃত পাঠ পঢ়িবলৈ পাব।

অথ ব্যঞ্জনা—

বিৰতাস্বভিধাদ্যাসু যয়ার্থো বোধ্যতে২পৰঃ।
সা বৃত্তির্ব্যঞ্জনা নাম শব্দস্যার্থাদিকস্য চ।। ১২

'শব্দবুদ্ধিকর্মণা বিৰম্য ব্যাপাৰাভাবঃ'— ইতি নয়েন অভিধালক্ষণতাৎপর্য্যাযাখ্যাসু তিসৃষু বৃত্তিষু স্বং স্বমর্থং বোধয়িত্বা উপক্ষীণাসু। ময়া অপৰঃ অন্যো২র্থো বোধ্যতে, সা শব্দার্থস্য প্রকৃতিপ্রত্যয়াদেশ্চ বৃত্তির্ব্যঞ্জন - ধ্বনন গমন প্রত্যায়নাদিব্যপদেশবিষয়া ব্যঞ্জনা নাম।

তত্র

অভিধালক্ষণামূলা শব্দস্য ব্যঞ্জনা দ্বিধা।। ১৩

অভিধামূলাহ—

অনেকার্থস্য শব্দস্য সংযোগাদ্যৈনিয়ন্ত্রিতে।
একত্রার্থে২ন্যধীহেতুর্ব্যঞ্জনা সাভিধাশ্রয়া।। ১৪

আদ্যশব্দাদ্ বিপ্রয়োগাদয়ঃ। উক্তংহি—

'সংযোগো বিপ্রয়োগশ্চ সাহচর্য্যং বিৰোধিতা।
অর্থঃ প্রকৰণং লিঙ্গং শব্দস্যান্যস্য সন্নিধিঃ।।
সামর্থ্যমৌচিতী দেশঃ কালো ব্যক্তিঃ স্বৰাদয়ঃ।
শব্দার্থস্যানবচ্ছেদে বিশেষস্মৃতিহেতবঃ।। ১৫

'সশংখচক্রো হৰিঃ'— ইত্যত্র শংখচক্রসংযোগেন হৰিশব্দো বিষ্ণুমেবাভিধত্তে। 'অংশংখচক্রো হৰিঃ'— ইতি তদ্‌বিয়োগেন তমেব। 'ভীমাজ্জুনৌ' ইতি অর্জ্জুনঃ পার্থঃ। 'কর্ণার্জ্জুনৌ' ইতি কর্ণঃ সুতপুত্রঃ। 'স্থানুং বন্দে' ইতি স্থানুঃ শিবঃ। সর্ব জানাতি দেৱঃ' ইতি দেবো ভবান্। 'কুপিতো মকৰধ্বজঃ' ইতি মকৰধ্বজঃ কামঃ 'দেবঃ পুৰাৰিঃ' — ইতি পুৰাৰিঃ শিৰঃ। 'মধুনা মত্ত পিকঃ'— ইতি মধুবর্সন্তঃ। 'পাতু বো দয়িতা মুখম্' ইতি মুখম্ সান্মুখ্যম্। 'বিভাতি গগনে চন্দ্রঃ'— ইতি চন্দ্রঃ শশী। 'নিশি চিত্রভানুঃ'— ইতি চিত্রভানুর্বহ্নিঃ। 'ভাতি ৰথাঙ্গম্' ইতি— নপুংসকবক্ত্যা ৰথাঙ্গং চক্রম্। স্বৰস্তু বেদ এব বিশেষপ্রতীতি কৃৎ, ন কাব্য ইতি তস্য বিষয়ে নোদাহৃতম্। ইদঞ্চ কে২প্যমহমানা আহুঃ 'স্বৰো২পি কাক্বাকাদিৰূপঃ কাব্যে বিশেষপ্রতীতিকৃদেব। উদাত্তাদিৰূপো২পি মুনেঃ পাঠোক্তদিশা শৃংগাৰাদিৰসবিশেষ প্রতীতি-কৃদেবেত্যেতদ্বিষয় উদাহৰণমুচিতম্'— ইতি। তন্ন। তথাহি স্বৰাঃ কাক্বাদয় উদাত্তাদয়ো বা ব্যঙ্গৰূপমেব বিশেষং প্রত্যায়যন্তি, ন খলু প্রকৃতোক্তমনেকার্থ— শব্দস্যৈকার্থনিয়ন্ত্রণৰূপং বিশেষম্। কিঞ্চ যদি যত্র ক্বচিদনেকার্থশব্দানাং প্রকৰণাদিনিয়মাভাবাদনিয়ন্ত্রিতয়োৰপ্যর্থয়োৰনুৰূপস্বৰবশেনৈকত্র নিয়মনং বাচ্যং, তদা তথাবিধস্থলে শ্লেষানঙ্গীকাৰপ্রসংগঃ, ন চ তথা। অতএবাহুঃ শ্লেষনিৰূপনপ্রস্তাবে— 'কাব্যমার্গেস্বৰো ন গন্যত ইতি চ নয়ঃ'— ইত্যলমুপজীব্যানাংমান্যানাং ব্যাখ্যানেষু কটাক্ষনিক্ষেপেণ। আদিশব্দাৎ— 'এতাবন্মাত্রস্তনৌ' ইত্যাদৌ হস্তাদি চেষ্টাদিভিঃ স্তনাদীনাং কমলকোৰকাদ্যাকাৰত্বম্। এবমেকস্মিন্নর্থে অভিধয়া নিয়ন্ত্রিতে যা শব্দস্যান্যার্থবুদ্ধিহেতুঃ শক্তি সা অভিধামূলা ব্যঞ্জনা।

যথা মম তাতপাদানাং মহাপাত্র চতুর্দশভাষাবিলাসিনীভুজঙ্গ মহাকবীশ্বৰ শ্রীচন্দ্রশেখৰ-সান্ধিবিগ্রহিকানাম্—

দুর্গালঙিঘতবিগ্রহো মনসিজং সংমীলয়ংস্তেজসা
প্রোদ্যদ্ ৰাজকুলো গৃহীত গৰিমা বিষ্বগবৃতো ভোগিভিঃ।

নক্ষত্রেশকৃতেক্ষণো গিৰিগুৰৌ গাঢ়াং ৰুচিং ধাৰয়ন্।
গামাক্রম্য বিভূতিভুষিততনূৰাজত্যুমাবল্লভঃ।।

অত্র প্রকৰেণানাভিধয়া উমাবল্লভশব্দস্য উমানাম্নী মহাদেবী তদ্ বল্লভভানুদেবনৃপতিৰূপে২র্থে নিয়ন্ত্রিতে ব্যঞ্জনয়ৈব গৌৰীবল্লভৰূপো২র্থো বোধ্যতে। এবমন্যত্। লক্ষণামূলমাহ—

লক্ষণোপাস্যতে যস্য কৃতে তত্ত্ব প্রয়োজনম্।
যয়া প্রত্যায়তে সা স্যাদ্ব্যঞ্জনা লক্ষণাশ্রয়া।। ১৬

'গংগায়াঃ ঘোষঃ'— ইত্যাদৌ জলময়াদ্যর্থবোধনাদভিধায়াং তটাদ্যর্থবোধনাচ্চ লক্ষণায়াং বিৰতায়াং যয়া শীতত্বপাবনত্বাদ্যতিশয়াদির্বোধ্যতে সা লক্ষণামূলা ব্যঞ্জনা।

৪.৬.১ ব্যঞ্জনা আৰু ইয়াৰ প্রকাৰ - মূল পাঠৰ ভিত্তিত অসমীয়া আলোচনা

এতিয়া ব্যঞ্জনা আৰু ইয়াৰ প্রকাৰৰ বিষয়ে অসমীয়া আলোচনা পঢ়িবলৈ পাব।

ব্যঞ্জনাশক্তি

অভিধা আদিয়ে নিজ নিজ অর্থ প্রতিপাদন কৰি বিৰত হ'লে যি শক্তিয়ে অন্য অর্থৰ প্রতিপাদন কৰে, শব্দ আৰু অর্থৰ সেই শক্তিৰ নাম ব্যঞ্জনা। অর্থাৎ অভিধা, লক্ষণা আৰু তাৎপর্যশক্তিয়ে নিজ নিজ অর্থ উপস্থাপন কৰি বিলীন হৈ গ'লে, অন্য এটি শক্তিয়ে অন্য এটি অর্থৰ প্রকাশ কৰে। শব্দ আৰু অর্থৰ সেই শক্তিয়েই হ'ল ব্যঞ্জনা। ই দুই প্রকাৰৰ **শাব্দী** আৰু **আর্থী**।

'শব্দ, বুদ্ধি আৰু ব্যাপাৰৰ বিৰাম ঘটিলে আৰু একো ব্যাপাৰ নাথাকে। এই নিয়মানুসাৰে, অভিধা, লক্ষণা আৰু তাৎপর্যই নিজ নিজ অর্থ উপস্থিত কৰি বিলীন হ'লে, যি শক্তিৰ দ্বাৰা শব্দ, অর্থ আৰু প্রকৃতি প্রত্যয়াদিৰ অন্য এটা অর্থ বোধগম্য হয় সেই বৃত্তিৰ নাম ব্যঞ্জনা। ধ্বনন, গমন, প্রত্যায়ন আদিও ইয়াৰেই অন্য নাম।

যি ব্যঞ্জনা শব্দগত সি শাব্দী আৰু যি ব্যঞ্জনা বাক্যগত সি আর্থী ব্যঞ্জনা।

শব্দৰ ব্যঞ্জনা দুই প্রকাৰৰ— অভিধামূলা আৰু লক্ষণামূলা।

অভিধামূলা ব্যঞ্জনা ঃ

যিবিলাক শব্দৰ বহু অর্থ আছে, সংযোগ আদিৰ দ্বাৰা এটা অর্থত লক্ষিত হয়। আকৌ যি শক্তিয়ে অন্য এটা অর্থৰ বোধ কৰায়, তাকেই অভিধামূলা ব্যঞ্জনা বোলে।

'আদি' শব্দই বিপ্রয়োগ আদিও বুজাইছে। কোৱাও আছে শব্দৰ একাধিক বাচ্যার্থ থাকিলে, কোনটো গ্রহণযোগ্য সেইবিষয়ে সন্দেহ উপস্থিত হ'লে, সংযোগ, বিয়োগ, সাহচর্য্য, বিৰোধিতা, অর্থ প্রকৰণ, লিংগ, অন্যশব্দৰ সান্নিধ্য, সামর্থ্য, ঔচিত্য, দেশ, কাল, ব্যক্তি, স্বৰ আদিৰ পৰাই বিশেষ অর্থ গ্রহণ কৰিব লাগে।'

'শংখচক্রযুক্তহৰি' — ইয়াত শংখ চক্রযুক্ত হৰি শব্দই বিষ্ণুক বুজায় 'শংখচক্রহীন বিষ্ণু'— ইয়াত শংখচক্রবিযুক্ত হৰি শব্দয়ো বিষ্ণুক বুজায়।

ভীম আৰু অর্জুন — ইয়াত অর্জুন ভীমৰ সাহচর্য্যত পার্থ।

কর্ণ আৰু অর্জুন — ইয়াত অর্জুনৰ বিৰোধী বাবে কর্ণ মানে সূতপুত্র।

স্থানুক প্রণাম কৰো — ইয়াত স্থানু মানে শিৱ।

দেৱে সকলো জানে — ইয়াত দেৱ মানে প্রাকৰনিক অর্থ 'আপুনি'

'মকৰধ্বজ কুপিত হৈছে' — ইয়াত, মকৰধ্বজ শব্দৰ অর্থ কামদেৱ, মকৰধ্বজ শব্দৰ সাগৰ আদি অর্থই কার্য্যৰ যোগ্যতাৰে কুপিত হ'ব নোৱাৰে।

'ভগবান পুৰাৰি' — ইয়াত পুৰাৰি শব্দই শিৱ বুজাই, ভগবান শব্দৰ সান্নিধ্যৰ বাবে।

'মধুৱে কোকিলক মত্ত কৰিছে' — ইয়াত মধু শব্দই বসন্তক বুজাইছে। মধু শব্দৰ দৈত্যাদি অর্থতকৈ বসন্ত অর্থৰহে বাক্যৰ অর্থপ্রকাশৰ শক্তি প্রতিপন্ন হয়।

'প্রিয়াৰ মুখে তোমালোকক ৰক্ষা কৰক' — ইয়াত মুখ শব্দৰ অর্থ সান্মুখ্য অর্থাৎ আনুকুল্য। ঔচিত্যৰফালৰ পৰা ইয়াৰ অর্থ আনুকুল্য হৈছে।

'আকাশত চন্দ্রই শোভা কৰিছে' — ইয়াত চন্দ্রৰ অর্থ জোন, চন্দ্রৰ কর্পুৰ আদি অর্থ আকাশ আদিৰ স্থানত শোভাকৰাৰ দ্বাৰা একো অর্থ প্রকাশ নহয়।

'ৰাতি চিত্রভানু' — 'চিত্রভানু' মানে জুই, চিত্রভানুৰ অন্য অর্থ সূর্য্য। সুর্য্য ৰাতিৰ সময়ত দৃশ্যমান নহয়।

ৰথাঙ্গ জিলিকি আছে— ইয়াত ৰথাঙ্গ মানে ৰথৰ অংগ কাৰণ ইয়াৰ লিংগ ক্লীবলিঙ্গ, পুংলিগ হ'লে অর্থ চক্রবাক চৰাই বুজালেহেঁতেন।

স্বৰে বেদতহে ভিন্ন অর্থৰ প্রকাশ কৰে। সেয়েহে ইয়াত উদাহৰণ দিয়া নহ'ল।

কোনো কোনো আলংকাৰিকে এই মত সহ্য কৰিব নোৱাৰি এইদৰে মত পোষণ কৰে— এই মত অযৌক্তিক। কাকু আদি স্বৰেও কাব্যত বিশেষ প্রতীতি জন্মায়। নাট্যশাস্ত্র প্রণেতা ভৰতমুনিৰ মতেও উদাত্তাদি স্বৰে শৃংগাৰাদি ৰসত বিশেষ প্রতীতি জন্মায়। সেইবাবে স্বৰৰো উদাহৰণ দিয়া উচিত।

এই মত যুক্তিযুক্ত নহয়। কাৰণ কাকু-উদাত্ত আদি স্বৰবিশেষে ব্যংগ্যার্থৰূপ অর্থহে বোধ কৰায়। অনেকার্থক শব্দৰ অর্থনিয়ন্ত্রণ নুবুজায়। ইয়াৰ উপৰিও প্রকৰণ আদি নিয়মৰ অভাবত অনেকার্থক শব্দৰ কোনোটো অর্থই প্রকাশিত নহয় তেন্তে কাকু বা উদাত্তাদি স্বৰৰ সহায়ত এটি অর্থ বাচ্যার্থৰূপে নিয়ন্ত্রিত হয়। তেন্তে সেই ক্ষেত্রত শ্লেষ অস্বীকাৰ কৰিব নোৱাৰি। কিন্তু এইটো সম্ভৱ নহয়। সেয়েহে শ্রেষনিৰূপণ প্রসংগত কোৱা হৈছে— 'কাব্যমার্গত স্বৰ গণনীয় নহয়'। সেয়েহে মাননীয় পূর্বাচার্যসকলৰ ব্যাখ্যাত কটাক্ষ কৰাৰ কোনো প্রয়োজন নাই।

সংযোগ আদি শ্লোকটোত 'আদি' শব্দৰ দ্বাৰা হাতৰ অংগীভংগীও গ্রহণ কৰা হৈছে। 'স্তনযুগল মাত্র ইমান' বুলি হস্তভংগীৰে স্তনযুগলত পদুমৰ কলিৰ সমান আকাৰৰ বুজোৱা হৈছে।

এইদৰে অভিধাৰদ্বাৰা এটা মাত্র অর্থত নিয়ন্ত্রিত হ'লে যি শক্তিয়ে অন্য অর্থৰ

বেদত উদাত্ত, অনুদাত্ত, স্বৰিত আদি স্বৰ আছে। বেলেগ বেলেগ স্বৰত একেটা শব্দই বেলেগ অর্থ বেদত প্রকাশ কৰিব পাৰে।

বোধ কৰায় তাকেই অভিধামূলা ব্যঞ্জনা বোলে।

যেনে, আমাৰ পিতৃদেৱ, চতুর্দশ ভাষাবিলাসিনীৰ সহচৰ, মহাকবীশ্বৰ, মহাপাত্র শ্রীচন্দ্রশেখৰ সান্ধিবিগ্রহিকৰ ৰচনা—

বাচ্যার্থ — দুর্গৰ দ্বাৰাও যাৰ যুদ্ধ লংঘন নহয়। যিয়ে কান্তিৰ দ্বাৰা কামদেবকো নিন্দিত কৰে। অভ্যুদয়শীল ৰাজকুলক যিয়ে বশীভূত কৰে, গৌৰান্বিত, সুখীজনৰ দ্বাৰা যি সদায় বেষ্টিত, ক্ষত্রিয় শ্রেষ্ঠসকলক যিয়ে গণ্যও নকৰে। শিৱৰ প্রতি গাঢ় ভক্তিসম্পন্ন, অলংকাৰেৰে শোভিত (ৰজা) উমাবল্লভে পৃথিৱীক নিজৰ অধীন কৰিছে।

ব্যংগার্থ — দুর্গাই যাৰ শৰীৰ ত্যাগ নকৰে, তেজস্বিতাৰে যিয়ে কামদেবক ধ্বংস কৰিছিল। যিয়ে উদীয়মান চন্দ্রকলাক ধাৰণ কৰিছিল, গৌৰবসম্পন্ন, যি সর্পৰ দ্বাৰা বেষ্টিত, নক্ষত্রাধিপতি চন্দ্রযাৰ নয়নস্বৰূপ। গিৰিগুৰু হিমালয়ৰ প্রতি শ্রদ্ধাবান, যাৰ দেহ ভস্মমণ্ডিত সেই উমাবল্লভ (শিৱ) বৃক্ষৰ ওপৰত আৰোহন কৰি শোভা পাইছে।

এই উদাহৰণত প্রকৰণবশতঃ উমাবল্লভ শব্দৰ দ্বাৰা উমাদেবীৰ স্বামী ভানুদেব নৃপতিক বুজাইছে আৰু ব্যঞ্জনাৰ দ্বাৰা উমাবল্লভ শিৱক বুজাইছে। এইদৰে আন উদাহৰণতো হ'ব।

লক্ষণামূলা ব্যঞ্জনা ঃ

যি প্রয়োজনৰ বাবে লক্ষণাৰ আশ্রয় লোৱা হয় সেই প্রয়োজনবোধিকা ব্যঞ্জনা শক্তিকে লক্ষণামূলা ব্যঞ্জনা বোলে।

'গংগাত গুৱালৰ গাঁও' ইয়াতে গংগাৰ অভিধাশক্তিয়ে গংগাৰ জলময়াদি অর্থ বুজাইছে। লক্ষণাই ইয়াৰ পাৰৰ অর্থ প্রকাশ কৰিছে। দুয়োটা বৃত্তি বিৰত হোৱাৰ পিছত শীতত্ব আৰু পবিত্রতাৰ বোধ জন্মোৱা শক্তিটোৰ নাম ব্যঞ্জনা।

শাব্দী ব্যঞ্জনাৰ উপৰিও আর্থী ব্যঞ্জনা দেখিবলৈ পোৱা যায়।

বক্তা, বোদ্ধা, বাক্য, অন্য সান্নিধ্য, বক্তব্য, প্রস্তাৱ, দেশ, কাল, কাকু, চেষ্টা আদিৰ বৈশিষ্ট্যৰ পৰা বাচিক আৰু লাক্ষণিক অর্থৰ বাদেও যি অন্য অর্থ প্রতিপাদন কৰে তাকেই আর্থী ব্যঞ্জনা বোলে। বাচ্য, লক্ষ্য আৰু ব্যঙ্গ্য অর্থভেদে আর্থী ব্যঞ্জনাও তিনি প্রকাৰৰ।

অভিধা, লক্ষণা, ব্যঞ্জনা এই তিনিটা উপাধিৰ বৈশিষ্ট্যত শব্দও তিনি প্রকাৰৰ— বাচক, লক্ষক আৰু ব্যঞ্জক।



জানি থোৱা ভাল

১) কাকু — 'ভিন্নকণ্ঠধ্বনিধীৰৈ ঃ কাকুৰিত্যভিধীয়তে' — শোক হর্ষ, ভয়াদিৰ বাবে হোৱা স্বৰবিকৃতিক কাকু বুলি কোৱা হয়।

২) চেষ্টা — শাৰীৰিক চালচলন।



অগ্রগতি নিৰীক্ষণ

প্ৰশ্ন নং ১০ ঃ ব্যঞ্জনা কেইপ্ৰকাৰৰ?

.....

প্ৰশ্ন নং ১১ ঃ ব্যঞ্জনাৰ অন্য এটা নাম কি?

.....

প্ৰশ্ন নং ১২ ঃ বেদত স্বৰ কেইপ্ৰকাৰৰ?

.....

৪.৭ তাৎপৰ্যবৃত্তি - মূল সংস্কৃত পাঠ

এতিয়া তাৎপৰ্যৱতিৰ বিষয়ে মূল সংস্কৃত পাঠ পঢ়িবলৈ পাব।

তাৎপর্য্যাখ্যাং বৃত্তিমাহুঃ পদার্থন্বয়বোধনে।

তাৎপর্য্যার্থাং তদর্থঞ্চ বাক্য তদ্বোধকং পৰে।।

অভিধায়া একৈক পদার্থবোধনবিৰামাত্ বাক্যার্থৰূপস্য পদার্থান্বয়স্য বোধিকা তাৎপর্যং নাম বৃত্তিস্তদর্থশ্চ তাৎপর্য্যার্থঃ তদ্বোধকঞ্চ বাক্যমিত্যভিহিতান্বয়বাদিনাং মতম্।

৪.৭.১ তাৎপৰ্যবৃত্তি - মূল সংস্কৃত পাঠৰ ভিত্তিত অসমীয়া আলোচনা

এতিয়া মূল সংস্কৃত পাঠৰ ভিত্তিত তাৎপৰ্যবৃত্তিৰ বিষয়ে অসমীয়া আলোচনা পঢ়িবলৈ পাব।

পদার্থসমূহৰ পৰস্পৰ অন্বয়বোধৰ বাবে বহুসংখ্যকে তাৎপর্যনামৰ বৃত্তি স্বীকাৰ কৰে। অভিধাশক্তি প্ৰত্যেকটো পদার্থৰ অর্থবোধৰ পাছত বিৰত হ'লে, বাক্যৰ সমস্ত পদার্থৰ মাজত অন্বয় সাধন কৰি যি শক্তিয়ে সমগ্ৰ বাক্যৰ অর্থবোধ কৰায়, সেই বৃত্তিকেই তাৎপর্য্যবৃত্তি বোলে। এই বৃত্তিৰ প্ৰতিপাদ্য অর্থ তাৎপর্য্যার্থ আৰু বাক্যই সেই তাৎপর্য্য বুজায়। এইদৰে অভিহিতান্বয়বাদীসকলে কয়।



জানি থোৱা ভাল

মীমাংসকসকলৰ মতে বাক্যার্থবোধৰ দুটা মত দেখিবলৈ পোৱা যায়। অভিহিতান্বয়বাদী আৰু অন্বিতাভিধানবাদী। প্ৰথম নৈয়ায়িকসকলৰ মতে শব্দ প্ৰথম অভিহিত হৈ অর্থ বুজোৱাৰ পাছত বা নিজৰ ভিতৰত অন্বয় হয়। কিন্তু অন্বিতাভিধানবাদীসকলৰ মতে শব্দই প্ৰথমে অর্থ প্ৰকাশ নকৰে। প্ৰথমে পৰস্পৰ অন্বিত হৈহে বাক্যৰূপত কোনো অর্থ প্ৰকাশ কৰে। কুমাৰিলভট্টৰ অনুগামী অভিহিতান্বয়বাদীসকলক ভট্ট সম্প্ৰদায় বুলিও কয়।



৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি—

- 'সাহিত্যদর্পণ' গ্ৰন্থৰ দ্বিতীয় পৰিচ্ছেদৰ অন্তর্গত বিষয়সমূহৰ বিষয়ে জ্ঞান লাভ কৰিলো।
- প্ৰথমতে বাক্যৰস্বৰূপ সম্বন্ধে মূল সংস্কৃত পাঠৰ সৈতে অসমীয়া আলোচনাও পঢ়িবলৈ পালো।
- বাক্য স্বৰূপৰ অন্তর্গত মহাবাক্য আৰু পদসমূহৰ বিষয়েও জ্ঞান লাভ কৰিলো।
- ইয়াৰ পিছত শব্দৰ তিনি প্ৰকাৰ অর্থ অভিধা, লক্ষণা আৰু ব্যঞ্জনাৰ সংজ্ঞা, উদাহৰণ আৰু ভাগসমূহৰ বিষয়েও অৱগত হ'লো।
- শব্দৰ এই তিনিটা শক্তিৰ উপৰিও মীমাংসা দর্শনৰ অনুগামীসকলেও আলোচনা কৰা শব্দৰ চতুর্থ শক্তি তাৎপর্যবৃত্তিৰ বিষয়েও অৱগত হ'লো।
- তাৎপর্যবৃত্তিৰ আলোচনাত অভিহিতান্বয়বাদ আৰু অন্বিতাভিধান বাদৰ বিষয়েও সম্যক জানিবলৈ পালো।



৪.৯ অধিক জানিবলৈ

১) শাস্ত্ৰী, ড° বিশ্বনাৰায়ণ, (১৯৯৯), *সাহিত্যদর্পণ*, অনুবাদ আৰু সম্পাদনা, গুৱাহাটী ঃ শৰাইঘাট প্ৰকাশন।

২) কানে, পি ভি, (১৯৯৪), *হিষ্টৰি অফ ইণ্ডিয়ান পোয়েটিক্স*, দিল্লী ঃ মতিলাল বানাৰসিদাস।

৩) সিদ্ধান্তবাগীশ, হৰিদাস, *সাহিত্যদর্পণ*, সম্পাদক, কলিকতা।



৪.১০ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ বাক্য দুই প্ৰকাৰৰ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ শব্দশক্তি তিনিপ্ৰকাৰৰ।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ এটা বর্ণৰ পদ সম্ভৱ।

৪ নং প্রশ্নৰ উত্তৰ ঃ বিভক্তিযুক্ত নোহোৱা পদক প্রাতিপদিক বোলে।

৫ নং প্রশ্নৰ উত্তৰ ঃ বাচ্যার্থৰ অন্য এটি নাম অভিধা।

৬ নং প্রশ্নৰ উত্তৰ ঃ বস্তুৰ সাধ্যধর্মক ক্রিয়া বোলা হয়।

৭ নং প্রশ্নৰ উত্তৰ ঃ লক্ষণা মুঠতে আশী প্রকাৰৰ।

৮ নং প্রশ্নৰ উত্তৰ ঃ লক্ষণা শব্দৰ অভিধা শক্তিৰ লগত সম্পর্কিত।

৯ নং প্রশ্নৰ উত্তৰ ঃ 'গংগায়াং ঘোষ ঃ' ইয়াত প্রয়োজনবশতঃ লক্ষণা হৈছে।

১০ নং প্রশ্নৰ উত্তৰ ঃ ব্যঞ্জনা দুই প্রকাৰৰ।

১১ নং প্রশ্নৰ উত্তৰ ঃ ব্যঞ্জনাৰ অন্য এটা নাম প্রত্যায়ন।

১২ নং প্রশ্নৰ উত্তৰ ঃ বেদত স্বৰ তিনিপ্রকাৰৰ।



৪.১১ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন ঃ (৫০ শব্দৰ ভিতৰত)

প্রশ্ন ১ ঃ বর্ণ কাক বোলে?

প্রশ্ন ২ ঃ বাক্যৰ সংজ্ঞা লিখক।

প্রশ্ন ৩ ঃ 'কলিঙ্গা সাহসিক' বাক্যটিত কি লক্ষণা আছে?

(খ) চুটি প্রশ্ন ঃ (১৫০ শব্দৰ ভিতৰত)

প্রশ্ন ১ ঃ তাৎপর্যবৃত্তিৰ বিষয়ে চমুকৈ লিখক।

(গ) ৰচনাধর্মী প্রশ্ন ঃ (৩০০ শব্দৰ ভিতৰত)

প্রশ্ন ১ ঃ ব্যাখ্যা কৰক ঃ

সংযোগো বিপ্রযোগশ্চ সাহচর্য্যং বিৰোধিতা।
অর্থং প্রকৰনং লিঙ্গং শব্দস্যান্যস্য সন্নিধিঃ।।
সামর্থ্যমৌচিতী দেশঃ কালো ব্যক্তিঃ স্বৰাদয়ঃ।
শব্দার্থস্যানবচ্ছেদে বিশেষস্মৃতিহেতবঃ।।

প্রশ্ন ২ ঃ লক্ষণা আৰু ইয়াৰ ভাগসমূহৰ বিষয়ে বহলাই লিখক।

*** ***** ***